অধ্যায় ১৫ ঃ বেণীসংহাৰ ঃ পাঠ্যগত আলোচনা

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ বেণীসংহাৰ নাটকখনৰ মুখ্য দৃশ্যাংশৰ সংস্কৃত পাঠ

- ১৫.৩.১ প্ৰথম অংকত ভীমসেনৰ কৌৰৱকুল ধ্বংস কৰাৰ প্ৰতিজ্ঞাৰ দৃশ্য
- ১৫.৩.২ তৃতীয় অংকত কৰ্ণক সেনাপতি নিয়োগৰ পাছত অশ্বত্থামা আৰু কৰ্ণৰ বিৰোধৰ দৃশ্য
- ১৫.৩.৩ পঞ্চম অংকত কৰ্ণৰ মৃত্যুৰ পাছত অশ্বত্থামাক দুৰ্যোধনৰ দ্বাৰা সেনাপতি নিয়োগৰ দৃশ্য
- ১৫.৩.৪ ষষ্ঠ অংকত দ্ৰৌপদীৰ বেণীসংহাৰৰ দৃশ্য

১৫.৪ সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদ

- ১৫.৪.১ ভীমসেনৰ প্ৰতিজ্ঞাৰ দৃশ্য
- ১৫.৪.২ অশ্বত্থামা আৰু কৰ্ণৰ বিৰোধৰ দৃশ্য
- ১৫.৪.৩ অশ্বত্থামাক সেনাপতি নিয়োগৰ দৃশ্য
- ১৫.৪.৪ বেণীবন্ধনৰ দৃশ্য

১৫.৫ মহত্বপূৰ্ণ শ্লোকৰ ব্যাখ্যা

১৫.৬ শব্দাৰ্থৰ তালিকা

১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৮ অধিক জানিবলৈ

১৫.৯ অগ্ৰগতিৰ খতিয়ান

১৫.১০ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বেণীসংহাৰ নাটকখনৰ বিষয়বস্তু জানিব পাৰিব
- নাটকখনৰ মুখ্য দৃশ্যাংশৰ বিষয়ে জানিব পাৰিব
- মুখ্য দৃশ্যাংশৰ সংস্কৃত পাঠৰ অসমীয়া অনুবাদো পঢ়িবলৈ পাব
- গুৰুত্বপূৰ্ণ শ্লোকৰ ব্যাখ্যাও জানিবলৈ পাব।

১৫.২ পৰিচয়

আগৰ অধ্যায়ত আপুনি বেণীসংহাৰ নাটকৰ সাধাৰণ আলোচনা পঢ়িবলৈ পালে। এই অধ্যায়ত ভট্টনাৰায়ণ ৰচিত বেণীসংহাৰ নাটকখনৰ সংস্কৃতত মুখ্য দৃশ্যাংশ আৰু তাৰ অনুবাদ আলোচনা কৰা হ'ব। সমস্ত সংস্কৃত সাহিত্যত বেণীসংহাৰ নাটকখনৰ স্থান সুকীয়া। নাটকখনত ৰসৰ সংযোজন, চৰিত্রসমূহৰ বিষয়েও অৱগত হ'ব। নাট্যশাস্ত্রৰ সমস্ত বিধিসমূহ অনুসৰণ কৰি ৰচনা কৰা এই নাটকখনৰপৰা আলংকাৰিকসকলে প্রায়েই উদ্ধৃতি দিয়ে। গতিকে নাটকখন পঢ়িলে এক সুকীয়া আনন্দ লাভ কৰিবলৈ সক্ষম হ'ব।

১৫.৩ বেণীসংহাৰ নাটকৰ মুখ্য দৃশ্যাংশৰ সংস্কৃত পাঠ

বেণীসংহাৰ নাটকখনত মুঠ ছটা অংক আছে। মহাভাৰতৰ পৰা কাহিনীভাগ আহৰণ কৰি নাট্যকাৰে অত্যন্ত নিপুণতাৰে ৰচনা কৰিছে। নাটকৰ আৰম্ভণিত অন্য নাটকৰ দৰেই নান্দীশ্লোক আছে। নাটকখনত মুঠ তিনিটা শ্লোকত বিষ্ণু, কৃষ্ণ আৰু শংকৰৰ স্তুতি কৰিছে। নান্দী শ্লোকৰ পিছত প্রস্তাৱনাৰ পাছত ভীম আৰু সহদেৱৰ মঞ্চলৈ আগমন ঘটে। তেতিয়াই ভীমে কৌৰৱকুল ধ্বংস কৰাৰ প্রতিজ্ঞা কৰে।

১৫.৩.১ প্রথম অংকত ভীমসেনৰ কৌৰৱকুল ধ্বংস কৰাৰ প্রতিজ্ঞাৰ দৃশ্য

এতিয়া আপুনি বেণীসংহাৰ নাটকৰ প্রথম অংকৰ সংস্কৃত পাঠ্যাংশৰ কিছু অংশ অধ্যয়ন কৰিব পাৰিব।

ভীমসেন ঃ (সক্রোধম্, সহদেবমধিহত্য) কিং নাম পঞ্চভি-গ্রামৈঃ সন্ধিঃ?

মথ্নামি কৌৰৱশতং সমৰে ন কোপাদ্
দুঃশাসনস্য ৰুধিৰং নং পিবাম্যুৰস্তঃ
সংচূর্ণয়ামি গদয়া ন সুযোধনোৰু
সন্ধিং কৰোতু ভবতি নৃপতিঃ পণেন।।

দ্রৌপদী - (মহর্ষম, জনান্তিকম) নাথ, অশ্রুতপূর্ব খলু তে ঈদৃশং বচনম্। তৎপুনঃ পুনস্তাবদ্ ভন।

(ভীমমেনোহশৃন্বন্নেব 'মথ্নামি কৌৰবশতং পুনঃ পঠতি)

সহদেৱঃ — আর্য কিং মহাৰাজস্য সন্দেশো২ব্যুৎপন্ন ইব গৃহীতঃ।

ভীমসেনঃ — কা পুত্রৰত্র ব্যুৎপত্তিঃ।

সহদেৱঃ — আর্য এবং গুৰুনা সন্দিষ্টম্

ভীমসেনঃ — কস্য

সহদেবঃ — সুযোধনস্য

ভীমসেনঃ — কিমিতি?

সহদেৱঃ —

ইন্দ্রপ্রস্থং বৃকপ্রস্থ জয়ন্ত বাৰণাবতম্।
প্রযচ্ছ চতুৰো গ্রামান্ কঞ্চিদেকং তু পঞ্চমম্।।

ভীমসেনঃ — ততঃ কিম্?

সহদেৱঃ — তদেবমনয়া প্রতিনামগ্রামপ্রার্থনয়া পঞ্চমস্য চাকীর্তনাদ্বিষভোজনজতুগৃহদাহদ্যূত সমাদ্যপকাৰস্থানোদ্‌ঘাটনমেবেদং মন্যে।

ভীমসেনঃ — (সাটোপম্) বৎস, এবং কৃতে কিং কৃতং ভবতি?

সহদেৱঃ — আর্য্য, এবং কৃতে লোকে তাবৎস্বগোত্রক্ষয়াশঙ্কি হৃদয়মাৱিস্কৃতং ভবতি কুৰুৰাজস্য তাবদসন্ধেতয়া চ তদেব প্রতিপাদিত্য ভবতি।

ভীমসেনঃ — সর্বমপ্যেতদনর্থকম্। কুৰুৰাজস্য তাবদসন্ধেতয়া তদৈব প্রতিপাদিত্য যদৈবাস্মাভিৱিতো বনং গচ্ছদ্ভিঃ সর্বেৰেৱ কুৰুকুলস্য নিধনং প্রতিজ্ঞাতম্। লোকেহপি চ ধার্তৰাষ্ট্রকুলক্ষয়ঃ কি লজ্জাকৰো ভবতাম্। অপি চ ৰে মূর্খ —

যুষ্মান্ হ্রেপয়তি দ্রোধাল্লোকে শত্রুকুলক্ষয়ঃ।
ন লজ্জয়তি দাৱানাং সভায়াং কেশকর্ষণম্।।

দ্রৌপদী — (জনান্তিকম্) নাথ ন লজ্জন্ত এতে। ত্বমপি তাবন্মা বিস্মার্ষীঃ

ভীমসেনঃ (সস্মৱণম্) বৎস কথং চিৱয়তি পাঞ্চালী।

সহদেৱঃ — আর্য, কা খলু বেলা তত্রভবত্যাঃ প্রাপ্তায়াঃ।
কিং তু ৰোষাবের্গবশাদ্ আগতাপ্যার্যেন নোপলক্ষিতা।

ভীমসেনঃ — (দৃষ্টা সাদৱম্) দেবি, সমুদ্ধতামৰৈৱস্মাভিৱাগতাপি ভবতী নোপলক্ষিতা। অতো ন মন্যুং কর্তুমর্হসি।

দ্রৌপদীঃ — নাথ, উদাসীনেষু য়ুষ্মাসু মম মন্যুর্ন পুনঃ কুপিতেষু।

ভীমসেনঃ — যদ্যেবমপগত পৱিভবমাত্মানং সমর্থয়স্ব। (হস্তে গৃহীত্বা পার্শ্বে সমুপবশ্য মুখমৱলোক্য) কিং পুনৱত্রভবতী মুদ্বিগ্নামিৱোপলক্ষয়ামি?

দ্রৌপদীঃ — নাথ কিমুদ্বেগকাৱনং যুষ্মাসু সন্নিহিতেষু।

ভীমসেনঃ — কিমিতি নাবেদয়সি। (কেশানবলোক্য) অথবা কিমাবেদিতেন।

জীত্সু পাণ্ডুপুত্রেষু দূৱমপ্রোষিতেষু চ।
পাঞ্চালৰাজতনয়া বহতে যদিমাং দশাম্।।

দ্রৌপদী — হঞ্জে, বুদ্ধিমতিকে, নিবেদয় তাবন্নাথস্য। কো২ন্যো মম পৰীভবেন খিদ্যতে।

চেটী — যদেব্যাজ্ঞাপয়তি। (ভীমমুপসৃত্য, অঞ্জলি বদ্ধা) কুমাৱ, ইতোহপ্যধিকতৱমদ্যোদ্বেগকাৱণমাসীদ্দেব্যাঃ।

ভীমসেনঃ — কিং নামাস্মাদপ্যধিকতৱম্ তত্কথয়, কথয়।

কৌৱব্যবংশদাবেহস্মিন্ ক এষ **শলভায়তে**।
বদ্ধবেণীং স্পৃশন্নেনাং কৃষ্ণাং ধূমশিখামিব।।

শলভায়তে — শলভৰ দৰে আছৱণ শলভ কৰা এবিধ পতঙ্গ। বর্ষাকালত পতংবিধ নিজেই জুইত জাহ যায়। ইয়াৰ দ্বাৰা অগ্নিৰ কোনো ক্ষতি নহয়।

চেটী— শৃনোতু কুমাৰঃ অদ্য খলু দেবী অম্বা সহিতা সুভদ্রাপ্রমুখেন সপত্নীবর্গেন পৰিবৃতা আর্যায়াঃ গান্ধার্য্যাঃ পাদবন্দনং কর্তুং গতামীত্।

ভীমসেনঃ — যুক্তমেতত। বন্দ্যাঃ খলু গুৰুবঃ। ততস্ততঃ।

চেটী— ততঃ প্রতিনিবর্তমানা ভানুমত্যা দেবী দৃষ্টা।

ভীমসেনঃ — (সক্রোধং) আঃ শত্রোভার্যায়াঃ দৃষ্টা, হন্ত, স্থানং ক্রোধস্য দেব্যাঃ। ততস্তঃ।

চেটী— ততস্তয়া দেৱীংপ্রেক্ষ্য সখীবদনদত্তদৃষ্ট্যা সগর্বমীষদ্বিহস্য ভনিতম্।

ভীমসেনঃ — ন কেবলং দৃষ্টা, উক্চা চ। অহো কিং কুর্মঃ। ততস্ততঃ।

চেটী — অয়ি যাজ্ঞসেনি, পঞ্চগ্রামাঃ প্রার্থ্যন্তে ইতি শ্রূয়তে। তৎকস্মাৎ পুনৰদ্যাপি তে কেশা ন সংযম্যন্তে।

ভীমসেনঃ — সহদেৱ। শ্রুতম্?

সহদেৱঃ — আর্যা কিমিহোচ্যতে? দুর্যোধনকলত্রং হি সা।

পশ্য —

স্ত্রীনাং হি সাহর্য্যোদ্ভৱন্তি চেতাংসি ভর্তৃসদৃশানি।
মধুৰাপি হি মূর্চ্ছয়তে বিষবিটপি সমাশ্রিতা বল্লী।।

ভীমসেনঃ — বুদ্ধিমতিকে, ততো দেব্যা কিমভিহিতম্।

চেটী— কুমাৰ, যদি পৰিহীনং মম বচনং ভবেত্তদা দেবী ভণতি।

ভীমসেনঃ — কিং পুনৰভিহিতং ভবত্যা।

ভীমসেনঃ — কিং সযতঃ

কঞ্চুকীঃ — ন হি নহি সংযতুৰাৰ্দ্ধঃ।

ভীমসেনঃ — কিং কৃতং দেবেন।

কঞ্চুকীঃ — ততঃ স মহাত্মা দর্শিতবিশ্বৰূপতেজঃম্ পাতমূর্ছিত মবধুয় কুৰুকালমস্মচ্ছিবিৰসন্নিবেশমনুপ্রাপ্তঃ কুমাৰমমবিলম্বিতং দ্রষ্টুমিচ্ছতি।

ভীমসেনঃ — (সোপহাসং) — কিং নাম দুৰাত্মা, যুযোধনো ভগৱন্তং সংযন্তুমিচ্ছতি। (আকাশে দত্তদৃষ্টি) আঃ দুৰাত্মন্ কুৰুকুলপাংশুল। এবমতিক্রান্তমর্যাদে ত্বয়ি নিমিত্তমাত্রেন পাণ্ডবক্রোধেন ভবিতব্যম্।

সহদেৱঃ — আর্য্য কিমমৌ দুৰাত্মা সুযোধনহতকো বাসুদেবমপি ভগবন্তং স্বৰূপেন ন জানাতি।

ভীমসেনঃ— ব্যস মূঢ়ঃ খল্বমং দুৰাত্মা কথং জানাতু।

পশ্য—

আত্মাৰাত্মা বিহিতৰতয়ো নির্বিকল্পে সমাধৌ
জ্ঞানোদ্রেকাদ্বিঘটিততমোগ্রন্ময়ং সত্বনিষ্ঠাঃ
যং বীক্ষন্তে কমপি তমসাং জ্যোতিষাং বা পৰস্তা
ত্তং মোহান্ধঃ কথময়মুং বেত্তু দেবং পুৰানম্।।

আর্য জয়দ্ধৰ ঃ কিমিদানীমধ্যবস্যতি গুৰুঃ

কঞ্চুকী — স্বয়মেব গত্বা মহাৰাজস্যাধ্যবসিতং জ্ঞাস্যতি কুমাৰঃ।

(ইতি নিষ্ক্রান্তঃ)

(নেপথ্যে কলকলানন্তৰং) ভো ভোঃ। দ্রুপদবিৰাট বৃষণান্ধক সহদেব প্রভৃতয়োঽস্মদক্ষৌহিনীপতয়ঃ কৌৰবচমুপ্রধানযোধাশ্চ, শৃন্বন্তু ভবন্তঃ।

চেটী — ময়া এবং ভনিতম্। অয়ি ভানুমতি, যুষ্মাকমমুক্তেষু কেশেষু কথমস্মাকং দেব্যাঃ কেশাঃ সংযম্যন্ত ইতি।

ভীমসেনঃ (সপৰিতোষম্) সাধু বুদ্ধিমতিকে সাধু। তদভিহিতং যদস্মত্ পৰিজনোচিতম্।

(অধীৰমাসনাদুতিষ্ঠন্) অত্র ভবতি পাঞ্চালৰাজতনয়ে শ্রূয়তাম্। অচিৰেনৈব কালেন—

চঞ্চদ্ভূজভ্রমিতচণ্ডগদাভিঘাত সংচূর্ণিতোৰুযুগলস্য সুযোধনস্য।

স্ত্যানাবনদ্ধঘনশোনিতশোণপাণিৰুত্তংসয়িষ্যতি কচাংস্তব দেবি ভীমঃ।।

দ্রৌপদী— কিং নাথ, পুষ্কৰং ত্বয়া পৰিকুপিতেন।

সর্বথানুগৃহ্নন্তু ব্যৱসিতং তে ভ্রাতৰঃ।

সহদেৱঃ — অনুগৃহীতমেতদস্মাভিঃ।

(নেপথ্যে মহান্ কলকলঃ। সর্বে সবিস্ময়মাকর্ণয়ন্তি)

মন্থায়স্তার্ণবাস্তঃ প্লুতকুহৰচলন্মন্দৰধ্বানধীৰঃ

কোনাঘাতেষু গর্জত্প্রলয়ঘনঘটান্যোন্যসংঘট্টচণ্ডঃ।

কৃষ্ণাক্রোধাগ্রদূতঃ কুৰুকুলনিধনোত্পাতনির্ঘাতবাতঃ।

কেনাস্মৎ-সিংহনাদপ্রতিৰসিত সখো দুন্দুভিস্তাত্যতেহসম্।।

(প্রবিশ্য সংভ্রান্তঃ)

কঞ্চুকী— কুমাৰ। এষ খলু ভগবান্ বাসুদেৱঃ।

(সর্বে কৃতাঞ্জলয়ঃ সমুত্তিষ্ঠন্তি)

ভীমসেনঃ— (সমংভ্রমম্) ক্বাসৌ ভগবানঃ।

কঞ্চুকী — পাণ্ডৱপক্ষপাতামষিতৈন সুযোধনেন সংযমিতুমাৰব্ধঃ

(সর্বে সম্ভ্রমং নাটয়ন্তি)

যৎসত্যব্রতভঙ্গভীৰুমনসা যত্নেন মন্দীকৃতং

যদ্বিস্মর্ত্তুমপীহিতং শমবতা শান্তিং কুলস্যেচ্ছতা

তদ্দুৎতাৰণিসংভৃতং নৃপসুতাকেশাম্বৰাকর্ষনৈঃ

ক্রোধজ্যোতিৰিদং মহৎকুৰুবনে যৌধিষ্ঠিৰং জৃম্ভতে।

ভীমসেনঃ — (আকর্ণ সহর্ষং) জৃম্ভতাং জৃম্ভতামপ্রতিহত প্রসৰমার্যস্য ক্রোধজ্যোতিঃ।

দ্রৌপদী— নাথ, কিমিদানীমেষ প্রলয়জধৰস্তনিতমাংসলঃ ক্ষণে ক্ষণে সমৰদুন্দুভিস্তাড়য়তে।

ভীমসেন— দেবি, কিমন্যৎ। যজ্ঞঃ প্রবর্ততে।

দ্রৌপদী— (সবিস্ময়ং) কো এষ যজ্ঞ।

ভীমসেনঃ — ৰণযজ্ঞঃ। তথাহি

চত্বাৰো বয়মৃত্বিজঃ স ভগবান্ কর্মোপদেষ্টা হৰিঃ
সংগ্রামধ্বৰদীক্ষিতো নৰপতিঃ পত্নী গৃহীতব্রতা
কৌৰব্যাঃ পশবঃ প্রিয়াপৰিভৱক্লেশোপশান্তিঃ ফলং
ৰাজন্যোপনিমন্ত্রণায় ৰসতি স্ফীতং যশোদুন্দুভিঃ

সহদেৱঃ — আর্য, গচ্ছামো বয়মিদানীং গুৰুজনানুজ্ঞাতা বিক্রমানুৰূপমাচৰিতুম্।

ভীমসেনঃ — বৎস, এতে বয়মুদ্যতা আর্যস্যানুজ্ঞামনুষ্ঠাতুমেব। (উত্থায়) তৎপাঞ্চালি, গচ্ছামো বয়মিদানীং কুৰুকুলক্ষয়ায়।

দ্রৌপদী— (বাষ্পং ধাৰয়ন্তী) নাথ, অসুৰসমৰাভিমুখস্য হৰেৰিব মঙ্গলং যুষ্মাকং ভবতু।

উভৌ — পৰিগৃহীতং মঙ্গলবচনমস্মাভিঃ।

দ্রৌপদী — অন্যচ্চ নাথ পুনৰপি যুষ্মাভিঃ সমৰাদা গত্যাহং সমাশ্বাসয়িতব্যা।

ভীমসেনঃ — ননু পাঞ্চালৰাজতনয়ে কিমদ্যাপ্যলীকাশ্বাসনয়া।

ভূয়ঃ পৰিভাক্ষান্তিলজ্জাবিধুৰিতাননম্।
অনিঃশেষিত কৌৰব্যং ন পশ্যমি বৃকোদৰম্।

দ্রৌপদী — নাথ মা খলু মা খলু যাজ্ঞসেনী পৰিৎবোদ্দীপিত কোপানলা অনবেক্ষিত সংচৰিষ্যথ। যতো২প্রমত্তসংচৰনীয়ানি ৰিপুবলানি শ্রূয়ন্তে।

ভীমসেনঃ — অয়ি সুক্ষত্রিয়ে।

অন্যোন্যাস্ফালভিন্নদ্বিপৰুধিৰবসামাংসমস্তিষ্কপঙ্কে
মগ্নানাং ম্যন্ধনানামুপৰিকৃতপদন্যাসৰিক্রান্তপত্তৌ।
ষ্ফীতাসৃক্পানগোষ্ঠীৰসদশিৰশিৰাতূর্বনৃত্যৎকবন্ধৈঃ
সংগ্রামৈকাণবান্তঃপয়সি বিচৰিতুং পণ্ডিতাঃ পাণ্ডুপুত্রাঃ।।

(ইতি নিষ্ক্রান্তাঃ সর্বে)

১৫.৩.২ তৃতীয় অংকত কর্ণক সেনাপতি নিয়োগৰ পাছত অশ্বত্থামা আৰু কর্ণৰ বিৰোধৰ দৃশ্য

কর্ণ ঃ — (খঙ্গমুদ্যম্য) অৰে বাচাট, ব্রাহ্মণাধম, অয়ং ন ভৱসি। ৰাজন্, মুঞ্চ মুঞ্চ। ন খলু অহং ৰাৰয়িতব্যঃ। (হন্তুমিচ্ছতি) (দুর্যোধনকৃপৌ নিৰাৰয়তঃ)

দুর্যোধন ঃ — কর্ণ, গুৰুপুত্র, কোৎয়মদ্য য়ৱযোর্ব্যামোহঃ।

কৃপঃ — বৎস, অন্যদেৰ প্রস্তুতমন্যত্রাৱেগ ইতি কো২য়ং ব্যামোহ।

স্ববলব্যসনং চেদমস্মিন্কালে ৰাজকুলস্যাস্য য়ুস্মত্ত এৱ ভৱতীতি বামঃ পন্থাঃ।

অশ্বত্থামা— মাতুল, ন লভ্যতে২স্য কটুপ্রলপিনো ৰথকাৰ কুলকলঙ্কস্য দর্পঃ শাতয়িতুম্।

কৃপঃ — ৱৎস, অকালঃ খলু স্ৱবলপ্রধানবিৰোধস্য।

অশ্ৱত্থামা — মাতুল, যদ্যেৱম,

অয়ং পাপো য়াবন্ন নিধনমুপেয়াদৰিশৈৱঃ
পৰিত্যক্তং তাবৎপ্রিয়মপি ময়াস্ত্রং ৰণমুখে।
বলানাং নাথেঽস্মিন্‌পৰিকুপিতভীমার্জুনভয়ে
সমুৎপন্নে ৰাজা প্রিয়সখবলং বেত্তু সমৰে।। ৪৫।।

(ইতি খঙ্গমুৎসৃজতি)

কর্ণঃ — (ৰিহস্য) কুলক্রমাগতমেৱৈতদ্ভবাদৃশাং য়দস্ত্রপৰিত্যাগো নাম।

অশ্ৱত্থামা — ননু ৰে, অপৰিত্যক্তমপি ভৱাদৃশৈৰায়ুধং চিৰপৰিত্যক্তমেৱ নিস্ফলত্বাৎ।

কর্ণঃ — অৰে মূঢ়।

ধৃতায়ুধো য়াৱদহং তাৱদন্যৈঃ কিমায়ুধৈঃ।
য়দ্বা ন সিদ্ধমস্ত্রেণ মম তৎকেন সেৎস্যতি।। ৪৬।।

(নেপথ্যে)

আঃ দুৰাত্মন্, দ্রৌপদীকেশাম্বৰাকর্ষণমহাপাতকিন্, ধার্তৰাষ্ট্রাপসদ, চিৰস্য খলু কালস্য মৎসংমুখমাগতোঽসি। ক্ষুদ্রপশো, ক্কেদানীং গম্যতে। অপি চ। ভো ভো ৰাধেয়দুর্যোধনসৌবলপ্রভৃতয়ঃ পাণ্ডৱৰিদ্বেষিণশ্চাপপাণয়ো মানধনাঃ, শৃন্ৱন্তু ভৱন্তঃ—

স্পৃষ্টা যেন শিৰোৰুহে নৃপশুনা পাঞ্চালৰাজাত্মজা
য়েনাস্যাঃ পৰিধানমপ্যপহৃতং ৰাজ্ঞাং গুৰুণাং পুৰঃ।
য়স্যোৰঃ স্থলশোণিতাসবমহং পাতুং প্রতিজ্ঞাতবা—
ন্সোঽয়ং মদ্‌ভুজপঞ্জৰে নিপতিতঃ সংৰক্ষ্যতাং কৌৰৱাঃ ।। ৪৭।।

(সর্ব আকর্ণয়ন্তি)

অশ্ৱত্থামাঃ — (সোৎপ্রাসম্) অঙ্গৰাজ, সেনাপতে জামদগ্ন্যশিষ্য, দ্রোণোপহাসিন্, ভুজবলপৰিৰক্ষিতসকললোক, ('ধৃতায়ুধঃ' ইতি পঠিত্বা) ইদং তদাসন্নতৰমেৱ সংবৃত্তম। ৰক্ষেণং সাংপ্রতং ভীমাদ্ দুঃশাসনম্।

কর্ণঃ — আঃ, কা শক্তির্বৃকোদৰস্য ময়ি জীৱতি দুঃশাসনস্য ছায়ামপ্যাক্রমিতুম্। যুৱৰাজ, ন ভেতব্যং ন ভেতব্যম্। অয়মহমাগতোঽস্মি। (ইতি নিষ্ক্রান্তঃ)।

অশ্ৱত্থামা — ৰাজন্, কৌৰৱনাথ, অভীষ্মদ্রোণং সংপ্রতি কৌৰৱবলমালোড়য়ন্তৌ ভীমার্জ্জুনৌ ৰাধেয়েনৈৱংৰিধেনান্যেন ৰা ন শক্যেতে নিৰাৰয়িতুম্। অতঃ স্ৱয়মেৱ ভ্রাতুঃ প্রতীকাৰপৰো ভৱ।

দুর্যোধনঃ — আঃ, কা শক্তিৰস্তি দুৰাত্মনঃ পরনতনয়স্যান্যস্য বা ময়ি জীৱতি শস্ত্রপাণৌ বৎসস্য ছায়ামপ্যাক্রমিতুম্। বৎস, ন ভেতব্যং, ন ভেতব্যম্। কঃ কোঽত্র ভোঃ। ৰথমুপনয়। (ইতি নিষ্ক্রান্তঃ)।

(নেপথ্যে কলকলঃ)

অশ্বত্থামা — (অগ্রতো২ৱলোক্য) মাতুল, হা ধিক্কষ্টম্। এষ খলু ভ্রাতুঃ প্রতিজ্ঞাভঙ্গভীৰুঃ কিৰীটী সমং দুর্যোধনৰাধেয়ৌ শৰৱর্ষৈর্দুর্বাৰৈৰভিদ্রৱতি। সর্বথা পীতং দুঃশাসনশোণিতং ভীমেন। ন খলু ৰিষহে দুর্যোধনানুজস্যৈনাং বিপত্তিমৱলোকয়িতুম্। অমৃতমনুমতং নাম। মাতুল, শস্ত্রং, শস্ত্রম্।

সত্যাদপ্যনৃতং শ্রেয়ো ধিক্স্বর্গং নৰকো২স্তু মে।
ভীমাদ্ দুঃশাসনং ত্রাতুং ত্যক্তমত্যক্তমায়ুধম্ ।। ৪৮।।

(ইতি খঙ্গং গ্রহীতুমিচ্ছতি)

(নেপথ্যে)

মহাত্মন্ ভাৰদ্বাজসুনো, ন খলু সত্যবচনমনুল্লঙিঘতপূর্বমুল্লঙঘয়িতু-মর্হসি।

কৃপঃ — বৎস, অশৰীৰিণী ভাৰতী ভৱন্তমনৃতাদভিৰক্ষতি।

অশ্বত্থামা — কথমিয়মমানুষী ৰাগ্গানুমনুতে সংগ্রামাৱতৰণং মম। ভোঃ কষ্টম্। আঃ পক্ষপাতিনো দেৱা অপি পাণ্ডৱানাম্। সর্বথা পীতং দুঃশাসনশোণিতং ভীমেন। ভোঃ কষ্টং কষ্টম্।

দুঃশাসনস্য ৰুধিৰে পীয়মানে২প্যুৎদাসিতম্।
দুর্যোধনস্য কর্তাস্মি কিমন্যৎপ্রিয়মাহরে ।। ৪৯।।

মাতুল, ৰাধেয়ক্রোধৱশাদনার্য্যমস্মাভিৰাচৰিতম্। অতস্ত্ববমপি তাৱদস্য ৰাজ্ঞঃ পার্শ্বৱর্তী ভৱ।

কৃপঃ— গচ্ছাম্যহমত্র প্রতিবিধাতুম্। ভৱানপি শিৰিৰসংনিৰেশামেৱ প্রতিষ্ঠতাম্।

(পৰিক্রম্য নিষ্ক্রান্তৌ)

১৫.৩.৩ পঞ্চম অংকত কর্ণৰ মৃত্যুৰ পছত অশ্বত্থামাক দুর্যোধনৰ দ্বাৰা সেনাপতি নিয়োগৰ দৃশ্য

অশ্বত্থামা — বিজয়তা কৌৰৱাধিপতিঃ।

দুর্যোধনঃ — (উত্থায়) গুৰুপুত্, ইত আস্যতাম্। (ইত্যপৰেশয়তি)

অশ্বত্থামা — ৰাজন্ দুর্যোধন,
কর্ণেন কর্ণসুভগং বহু যত্তদুক্তবা
য়ৎসঙ্গৰেষু ৰিহিতং ৰিদিতং ত্বয়া তত্।
দ্রৌণিস্ত্ববিজ্যধনুৰাপতিতো২ভ্যমিত্র
মেষো২ধুনা ত্যজ নৃপ প্রতিকাৰচিন্তাম্ ।। ৩৮।।

দুর্যোধনঃ — (সাভ্যসূয়ম্) আচার্যপুত্র,
অৱসানেৎঙ্গৰাজস্য য়োদ্ধব্যং ভৱতা কিল।
মমাপ্যন্তং প্রতীক্ষস্ব কঃ কর্ণঃ কঃ সুয়োধনঃ ।। ৩৯।।

অশ্বত্থামা — (স্বগতম্) কথমদ্যাপি স এৱ কর্ণপক্ষপাতঃ, অস্মাসু চ পৰিভৱঃ। (প্রকাশম্) ৰাজন্ কৌৰৱেশ্বৰ, এবং ভৱতু। (ইতি নিষ্ক্রান্তঃ)

ধৃতৰাষ্ট্রঃ — বৎস, ক এষ তে ব্যামোহো য়দস্মিন্নপি কালে এৱংবিধস্য মহাভাগস্যাশ্বত্থান্নো বাক্পাৰুষ্যেণাপৰাগমুৎপাদয়সি।

দুর্যোধনঃ — কিমস্যাপ্রিয়মনৃতং চ ময়োক্তম্। কিং বা নেদং ক্রোধস্থানম্। পশ্য—

অকলিতমহিমানং ক্ষত্রিয়ৈৰাত্তচাপৈঃ
সমৰশিৰসি য়ুত্মদ্ভাগ্যদোষাদ্বিপন্নম্।
পৰিৱদতি সমক্ষং মিত্রমঙ্গাধিৰাজং
মম খলু কথয়াস্মিন্কো বিশেষো২র্জুনে বা ।। ৪০।।

ধৃতৰাষ্ট্রঃ — ৱৎস, তথাপি কো২ত্র দোষঃ। অৱসানমিদানীং ভৱতকুলস্য। সঞ্জয়, কিমিদানীং কৰোমি মন্দভাগ্যঃ (ৱিচিন্ত্য) ভৱত্বেৱং তাৱত্। সঞ্জয়, মদ্ৱচনাদ্ ব্রূহি ভাৰদ্বাজমশ্বত্থামানম্।

স্মৰতি ন ভৱানপীতং স্তন্যং বিভজ্য মহামুনা
মম চ মৃদিতং ক্ষৌমং বাল্যে ত্বদঙ্গৱিবর্তনৈঃ। অনুজনিধনস্ফীতাচ্ছোকাদতি প্রণয়াচ্চ য়ে—
দ্ৱচনবিকৃতিস্বস্য ক্রোধো মুধা ক্রিয়তে ত্বয়া ।। ৪১।।

সঞ্জয়ঃ — য়দাজ্ঞাপয়তি তাতঃ। (ইত্যুত্তিষ্ঠতি)

ধৃতৰাষ্ট্রঃ — অপি চেদমন্যত্ত্বয়া ৱক্তব্যম্।

য়ন্মোচিতস্তৱ পিতা বিতথেন শস্ত্রং
য়ত্তাদৃশঃ পৰিভৱঃ স তথাৱিধো২ভূত্।
এতদ্বিচিন্ত্য বলমাত্মনি পৌৰুষং চ
দুর্যোধনোক্তমপহায় ৱিধাস্যসীতি।। ৪২।।

সঞ্জয়ঃ — য়দাজ্ঞাপয়তি তাতঃ। (ইতি নিষ্ক্রান্তঃ)

দুর্যোধনঃ — সূত, সাংগ্রামিকং মে ৰথমুপকল্পয়।

সূতঃ — য়দাজ্ঞাপয়ত্যায়ুষ্মান্। (ইতি নিষ্ক্রান্তঃ)

ধৃতৰাষ্ট্রঃ — গান্ধাৰি, ইতো বয়ং মদ্রাধিপতেঃ শল্যস্য শিৰিৰমেৱ গচ্ছাৱঃ। ৱৎস, ত্বমপ্যেৱং কুৰু।

(ইতি পৰিক্রম্য নিষ্ক্রান্তাঃ সর্বে)

১৫.৩.৪ ষষ্ঠ অংকত দ্রৌপদীৰ বেণীসংহাৰৰ দৃশ্য

ভীমসেন ঃ — ৰাজপুতি। অলমলমেবংবিধং মমালোক্য ত্রাসেন।

কৃষ্টা য়েনাসি ৰাজ্ঞাং সদসি নৃপশুনাতেন দুঃশাসনেন

স্ত্যানান্যেতানিতস্য স্পৃশ মম কৰয়োঃ পীতশেষাণ্যসৃঞ্জি।
কান্তে ৰাজ্ঞঃ কুৰুণামপি ৰুধিৰমিদং মদ্‌গদাচূর্ণিতোৰো—
ৰঙ্গে২ঙ্গে সৃঙ্‌নিষক্তং তৰ পৰিভৱজস্যানলস্যোপশান্ত্যৈ ।। ৪১।।

বুদ্ধিমতিকে, ক্ক সা সংপ্রতি ভানুসতী য়োপহসতি পাণ্ডৱদাৰান্। ভৱতি য়জ্ঞবেদিসংভৱে য়াজ্ঞসেনি।

দ্রৌপদী — আজ্ঞাপয়তু নাথঃ (আপবেছ ণাহো)

ভীমসেন — স্মৰতি ভৱতী য়ন্ময়োক্তম্।

দ্রৌপদী — নাথ, ন কেৱলং স্মৰামি। অনুভৱামি চ নাথস্য প্রসাদেন।

ভীমসেন — (বেণীমৱধূয়) ভৱতি, সংয়ম্যতামিদানীং ধার্তৰাষ্ট্র কুলকালৰাত্রির্দুঃশাসনবিলুলিতেয়ং বেণী।

দ্রৌপদী— নাথ, বিস্মৃতাস্ম্যেতং ব্যাপাৰম্। নাথস্য প্রসাদেন পুনৰপি শিক্ষিষ্যে।

(ভীমসেনো বেণীং বধ্নাতি)

(নেপথ্যে)

মহাসমৰানলদগ্ধশেষায় স্বস্তি ভৱতু ৰাজন্যকুলায়।
ক্রোধান্ধৈর্য়স্য মোক্ষাৎক্ষতনৱপতিভিঃ পাণ্ডুপুত্রৈঃ কৃতানি
প্রত্যাশং মুক্তকেশান্যতুলভুজবলৈঃ পার্থিৱান্তঃপুৰাণি।
কৃষ্ণায়াঃ কেশপাশঃ কুপিতয়মসখো ধূমকেতুঃ কুৰুণাং
সো২য়ং বদ্ধঃ প্রজানাং বিৱমতু নিধনং স্বস্তি ৰাজ্ঞাং কুলেভ্যঃ ।। ৪২।।

যুধিষ্ঠিৰঃ — দেৱি, এষ তে বেণীসংহাৰো২ভিনন্দ্যতে নভস্তলসঞ্চাৰিণা সিদ্ধজনেন।

(ততঃ প্রৱিশত কৃষ্ণার্জুনৌ)

কৃষ্ণ ঃ — (যুধিষ্ঠিৰমুপগম্য) বিজয়তাং নিহতসকলাৰাতিমণ্ডলঃ সানুজো যুধিষ্ঠিৰঃ।

অর্জুনঃ — জয়ত্বার্য়ঃ।

যুধিষ্ঠিৰঃ — (বিলোক্য) অয়ে ভগৱানপুণ্ডৰীকাক্ষো বৎসশ্চ কিৰীটি। ভগৱান্, অভিৱাদয়ে (কিৰীটিনং প্রতি) এহ্যেহি ৱৎস, পৰিষ্বজস্ব মাম্।

(অর্জুনঃ প্রণমতি)

যুধিষ্ঠিৰঃ — (ৰাসুদেৱং প্রতি) দেৱ, কুতস্তস্য বিজয়াদন্যদ্যস্য ভগৱান্ পুৰাণপুৰুষো নাৰায়ণঃ স্বয়ং মঙ্গলান্যাশাস্তে।

কৃতগুৰুমহদাদিক্ষোভসংভূতমূর্তিং
গুণিনমুদয়নাশস্থানহেতুং প্রজানাম্।
অজমমৱমচিন্ত্যং চিন্তয়িত্বাপি ন ত্বাং
ভৱতি জগতি দুঃখী কি পুনর্দেৱ দৃষ্ট্বা ।। ৪৩।।

(অর্জুনমালিঙ্গ্য) বৎস, পৰিস্বজস্ব মাম্।

কৃষ্ণঃ — মহাৰাজ যুধিষ্ঠিৰ,

ব্যাসোঽয়ং ভগৱানমী চ মুনয়ো বাল্মীকিৰামাদয়ো

ধৃষ্টদ্যুম্নমুখাশ্চ সৈন্যপতয়ো মাদ্রীসূতাধিষ্ঠিতাঃ।

প্রাপ্তা মাগধমৎস্যয়াদৱকুলৈৰাজ্ঞাবিধেয়ৈঃ সমং

স্কন্ধোত্তম্ভিততীর্থবাৰিকলশা ৰাজ্যাভিষেকায় তে।। ৪৪।।

অহং পুনর্দুৰাত্মনা চার্বাকেণ বিপ্রকৃতং ভৱন্তমুপলভ্যার্জুনেন সহ ত্বৰিততৰমায়াতঃ।

যুধিষ্ঠিৰঃ — কথং চার্বাকেণ ৰক্ষসা বয়মেৱং বিপ্রলব্ধাঃ।

ভীমসেনঃ — (সৰোষম্) ক্বাসৌ ধার্তৰাষ্ট্রসখঃ পুণ্যজনাপসদো য়েনার্যস্য মহাশ্চিত্তবিভ্রমঃ কৃতঃ।

কৃষ্ণঃ — নিগৃহীতঃ স দুৰাত্মা নকুলেন। তৎকথয় মহাৰাজ, কিমস্মাৎপৰং সমীহিতং সংপাদয়ামি।

যুধিষ্ঠিৰঃ — ন কিঞ্চিন্ন দদাতি ভগৱান্প্রসন্নঃ। অহং তু পুৰুষসাধাৰণ্যা বুদ্ধ্যা সংতুষ্যামি। ন খল্বতঃ পৰমভ্যর্থয়িতুং ক্ষমঃ। পশ্যতু দেৱঃ।

ক্রোধান্ধৈঃ সকলং হতং ৰিপুকুলং পশ্চাক্ষতাস্তে ৱয়ং পাঞ্চাল্যা মম দুর্নয়োপজনিতস্তীর্ণো নিকাৰার্ণৱঃ।

ত্বং দেৱঃ পুৰুষোত্তমঃ সুকৃতিনং মামাদৃতো ভাষসে কিং নামান্যদতঃ পৰং ভগৱতো য়াচে প্রসন্নাদহম্।। ৪৫।।

তথাপি প্রীততৰশ্চেদ্ভগৱাংস্তদিদমস্তু

অকৃপণমৰুক্শ্রান্তং জীব্যাজ্জনঃ পুৰুষায়ুষং

ভৱতু ভগৱন্ভক্তির্দ্বৈতং বিনা পুৰুষোত্তমে।

দয়িতভুৱনো বিদ্বদ্বন্ধুর্গুণেষু বিশেষবিৎ

সততসুকৃতী ভূয়াদ্ ভূপঃ প্রসাধিতমণ্ডলঃ ।। ৪৬।।

কৃষ্ণঃ — এৱমস্তু

(ইতি নিষ্ক্রান্তাঃ সর্বে)

১৫.৪ সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদ

ওপৰত উল্লেখ কৰা বেণীসংহাৰ নাটকখনৰ মুখ্য দৃশ্যসমূহৰ পাঠ্যাংশৰ অনুবাদ দৃশ্য অনুসাৰে দিয়া হ'ল।

১৫.৪.১ ভীমসেনৰ প্রতিজ্ঞাৰ দৃশ্য

এতিয়া আপুনি ভীমসেনৰ প্রতিজ্ঞাৰ দৃশ্যৰ অসমীয়া অনুবাদ পঢ়িবলৈ পাব।

ভীমসেন— (ক্রোধেৰে সহদেৱক লক্ষ্য কৰি) কি? পাঁচখন গাঁৱেৰে সন্ধি?

যুদ্ধত ক্রোধবশতঃ শত কৌৰৱক ধ্বংস নকৰিম?



জনান্তিক - কোনো বিষয় কাৰোবাৰ পৰা গোপন কৰিব বিচাৰিলে, অনামিকা আঙুলি নমাই বাকী তিনিটা ত্রিপতাক মুদ্রাৰে অন্যৰ লগত যেতিয়া মন্ত্রণা বা আলাপ কৰা হয় তাকেই জনান্তিক বোলে। জনান্তিক নাটকীয় উক্তি বিলাকৰ ভিতৰত এক প্রকাৰৰ উক্তি।

নকৰিমনেকি দুঃশাসনৰ বক্ষৰ ৰক্তপান।

গদাৰে দুর্যোধনৰ উৰু চূর্ণ নকৰিমনে?

তোমাৰ ৰজাই পণেৰে সন্ধি কৰে যদি কৰক।

দ্রৌপদী— (আনন্দেৰে **জনান্তিক** ভংগীৰে) নাথ, এনে কথাটো আগতে কেতিয়াও শুনা নাই। আকৌ কওঁক।

(ভীমসেনে নুশুনাকৈয়ে 'মথ্নামি কৌৰৱশত' শ্লোকটি পুনৰ উচ্চাৰণ কৰে)

সহদেৱ — আর্য, আপুনি মহাৰাজৰ বার্তা স্পষ্টৰূপে বুজা নাই নেকি?

ভীমসেন — মর্মার্থটো কি?

সহদেৱ — মহাৰাজৰ আদেশ এনে ধৰণৰ।

ভীমসেন — কাৰ প্রতি?

সহদেৱ — দুর্যোধনৰ প্রতি।

ভীমসেন — কেনে?

সহদেৱ—

ইন্দ্রপ্রস্থ, বৃকপ্রস্থ, জয়ন্ত, বাৰণাবত— এই চাৰিখন আৰু যিকোনো এখন গাঁও আমাক দিয়া।

ভীমসেন — তাৰদ্বাৰা কি হ'ল।

সহদেৱ — এনেদৰে চাৰিখন গাঁৱৰ নাম লৈ, পঞ্চম গাঁওখনৰ নামোল্লেখ নকৰি বিষান্নভোজন, জতুগৃহদাহ, দ্যুতসভা প্রভৃতি অপকাৰৰ কথা সোঁৱৰাই দিয়া হৈছে।

ভীমসেন — (সগর্বে) এনে কৰিলে কি হ'ব?

সহদেৱ — আর্য, এনে কৰিলে ধর্মৰাজ স্বগোত্রনাশত যে আতঙ্কিত এই কথা অন্যই জানিব আৰু কুৰুৰাজেও যে সন্ধি নকৰিলে সেই কথা সকলোৰে প্রত্যক্ষ হ'ব।

ভীমসেন — এই সকলোবোৰ অনর্থক। কাৰণ ইয়াৰ পৰা বন গমন কৰা সময়ত যেতিয়া আমি কুৰুকুল ধ্বংস কৰাৰ প্রতিজ্ঞা কৰিছিলো, তেতিয়াই কুৰুকুলৰ লগত সন্ধি অসম্ভৱ বুলি কোৱা হৈছিল। ধৃতৰাষ্ট্রৰ বংশৰ নাশ আপোনালোকৰ বাবে সংসাৰত লজ্জাজনক নেকি?

— হে মূর্খ।

ক্রোধবশতঃ শত্রুকুলনাশে আপোনালোকক সংসাৰত লজ্জিত কৰে। কিন্তু সভাত ৰাজমহিষীৰ কেশাকর্ষনে আপোনালোকক লজ্জিত কৰা নাই?

দ্রৌপদী — (জনান্তিকত) নাথ এওঁলোক লজ্জিত নহয়, আপুনি কিন্তু নেপাহৰিব।

ভীমসেন — (স্মৰণ কৰি) বৎস, পাঞ্চালীয়ে ইমান দেৰী কৰিছে কিয়?

সহদেৱ — আর্য, পাঞ্চালী আহি পোৱা বহু সময় হ'ল কিন্তু ক্রোধবশতঃ আপুনি দেখা পোৱা নাই।

ভীমসেন — (সস্নেহে চাই) ক্রোধবশতঃ তুমি অহাটো মই লক্ষ্য কৰা নাই। গতিকে

তুমি দুঃখিত নহবা।

দ্রৌপদী — আর্য, আপুনি উদাসীন হ'লেহে মোৰ দুখ হয়। ক্রুধিত হ'লে নহয়।

ভীমসেন — যদি তেনে হয়, তেন্তে তোমাৰ অপমান সমাপ্ত বুলি জানিবা।

দ্রৌপদী — হে নাথ, আপুনি ওচৰত থাকিলে উদ্বেগৰ কি কাৰণ থাকিব পাৰে।

ভীমসেন — একো কোৱা নাই কিয়? (চুলিবোৰ চাই) আৰু কবাই বা কি?

পাণ্ডু পুত্রসকল ওচৰতে জীৱিত থকা সত্বেও। পাঞ্চাল ৰাজনন্দিনীয়ে এনে দুর্দশা ধাৰণ কৰিছে।

দ্রৌপদী — বুদ্ধিমতিকে, তুমি প্রভুক নিবেদন কৰা। অন্য কোনে মোৰ প্রতি অপমানত দুঃখিত হ'ব।

চেটী — আপোনাৰ যি আজ্ঞা। (ভীমৰ ওচৰ চাপি হাতযোৰ কৰি। হে কুমাৰ। ইয়াতকৈও অধিক দেৱীৰ উদ্বেগৰ কাৰণ আছে।

ভীমসেন — কি? ইয়াতকৈও বেছি? হে বুদ্ধিমতিকে কোৱা কোৱা-

কুৰুবংশৰ দাবানিৰ ধূমশিখাস্বৰূপ খোলা বেণীৰ কৃষ্ণাক স্পর্শ কৰি কোনে পতঙ্গৰ দশা পাবলৈ ইচ্ছা কৰিছে।

চেটী — কুমাৰ শুনক! ত্যাজি দেবী ৰাজমাতা আৰু সুভদ্রা প্রভৃতি সপত্নীসহ আর্য্যা গান্ধাৰীৰ পদবন্দনা কৰিবলৈ গৈছিল।

ভীম — সমুচিত কার্য্য। গুৰুজন নিশ্চয় বন্দনীয়, তাৰ পিছত, তাৰ পিছত?

চেটী — তাৰ পৰা প্রত্যাৱর্তনৰ সময়ত ভানুমতীয়ে দেখিলে।

ভীমসেন — (ক্রোধেৰে সৈতে) আঃ শত্রুৰ পত্নীয়ে দেখিলে? তেন্তে দেৱীৰ ক্রোধ উচিতেই। তাৰ পিছত?

চেটী — তেতিয়া ভানুমতীয়ে দেৱীক দেখি সখীৰ ফালে চাই গর্বেৰে হাঁহি ক'লে।

ভীমসেন — কেৱল দেখাই নহয় ক'লেও। অঃ কি কৰা যায়। তাৰ পিছত?

চেটী — অয়ি যাজ্ঞসেনি, শুনিছো পাঁচখন গাওঁ প্রার্থনা কৰা হৈছে। তথাপিও কিয় চুলি বন্ধা নাই?

ভীমসেন — সহদেৱ, শুনিলা?

সহদেৱ — ইয়াত আৰু ক'বলগীয়া কি আছে? কাৰণ তেওঁ দুর্যোধনৰেই পত্নী। চাওক— নিৰন্তৰ স্বামীৰ সাহচর্যত স্ত্রীৰ মনোবৃত্তিও স্বামীৰ নিচিনাই হয়। মধুৰ সোৱাদৰ লতাও বিষবৃক্ষাশ্রয়ী হ'লে মূর্ছাৰ কাৰণ হয়।

ভীমসেন — হে বুদ্ধিমতিকা! তেতিয়া দেৱীয়ে কি ক'লে?

চেটী — যদি মোৰ বচন নষ্ট হ'লহেঁতেন তেতিয়া দেবীয়ে কিবা ক'লেহেঁতেন।

ভীমসেন — তুমি কি ক'লা?

চেটী — মই এইদৰে ক'লো— অয়ি ভানুমতী, তোমাৰ কেশ মুক্ত নহ'লে আমাৰ দেবীয়ে কেশ বান্ধিব কেনেকৈ?

ভীমসেন — (সন্তুষ্ট হৈ) সাধু, বুদ্ধিমতিকে, সাধু। তুমি আমাৰ পৰিজনোচিত কথাই কৈছা। (অধীৰ হৈ আসনৰ পৰা উঠি) পাঞ্চালৰাজতনয়া, শুনা। অতি সোনকালেই হে দেবী, এই চঞ্চলবাহুৰ দ্বাৰা ঘূৰ্ণায়মান প্ৰচণ্ড গদাৰ আঘাতত দুৰ্যোধনৰ উৰুদ্বয় ভাঙি, তাৰ গাঢ় তপ্ত তেজেৰে ৰঞ্জিতে হাতেৰে ভীমসেনে তোমাৰ কেশবন্ধন কৰিব।

দ্ৰৌপদী — হে নাথ, আপুনি ক্ৰুদ্ধ হ'লে অসাধ্য একো নাই। কিন্তু আপোনাৰ ভ্ৰাতৃসকলে যেন আপোনাক সমৰ্থন কৰে।

সহদেৱ — আমি এইটো সমৰ্থন কৰো।

(নেপথ্যত কলৰৱ, বিস্মিত হৈ সকলোৱে শুনে)

মন্থনবিক্ষুব্ধ সমুদ্ৰৰ জলৰাশিয়ে যি মন্দৰ পৰ্বতৰ গুহা প্লাৱিত কৰিছিল, সেই পৰ্বতৰ ধ্বনিৰ নিচিনা গভীৰ মোৰ এই সিংহনাদৰ প্ৰতিধ্বনিস্বৰূপ দুন্দুভি কোনে বজাইছে? এই ধ্বনি গৰ্জনশীল প্ৰলয়মেঘৰ পৰস্পৰ সংঘৰ্ষৰ সমানেই তীব্ৰ। দ্ৰৌপদীৰ ক্ৰোধসূচক। কুৰুকুল বিনাশক অমঙ্গলস্বৰূপ প্ৰচণ্ড বায়ুৰ সমান।

(প্ৰৱেশ কৰি চকিত হৈ)

কঞ্চুকী — কুমাৰ, এয়া ভগবান বাসুদেৱ।

(সকলোৱে হাতজোৰ কৰি থিয় হ'ল)

ভীমসেন — (সমম্ভ্ৰমে) ক'তা ভগবান?

কঞ্চুকী — পাণ্ডবৰ পক্ষপাতী বুলি দুৰ্যোধনে তেওঁক বন্দী কৰিবলৈ বিচাৰিছিল।

(সকলোৱে বিস্ময়ৰ অভিনয় কৰে)

ভীমসেন — তেওঁক বন্দী কৰা হ'ল নেকি?

কঞ্চুকী — নাই নাই বান্ধিবলৈ চেষ্টা কৰিছিল।

ভীমসেন — ভগবানে কি কৰিলে?

কঞ্চুকী — কেতিয়া ভগবানে বিশ্বৰূপ প্ৰদৰ্শন কৰাত, সেই শক্তিৰ প্ৰভাৱত মূৰ্ছিত কুৰুকুলক তিৰস্কাৰ কৰি আমাৰ শিবিৰলৈ আহিল আৰু কুমাৰক অতিশীঘ্ৰেই দেখা পাবলৈ বিচাৰিছে।

ভীমসেন — (উপহাস কৰি) দু�ৰাত্মা দুৰ্যোধনে ভগবানকো বন্দী কৰিবলৈ বিচাৰে। (আকাশলৈ চাই) হে দু�ৰাত্মা কুৰুকুল - কলঙ্ক, তই ভগবানৰ মৰ্যাদাও লঙ্ঘন কৰিছ। এতিয়া কুৰুবংশৰ বিনাশত পাণ্ডৱৰ ক্ৰোধ নিমিত্ত মাত্ৰ।

সহদেৱ — আৰ্য্য, এই দুৰাত্মা দুৰ্যোধনে ভগবানৰ স্বৰূপ নাজানে নেকি?

ভীমসেন — বৎস, এই মূৰ্খ দুৰাত্মাই কেনেকৈ জানিব?

যিসকলে পৰমাত্মাত নিমগ্ন হয়, নিৰ্বিকল্প সমাধিত সমাহিত চিত্ত, জ্ঞানৰ উন্মেষত অজ্ঞান গ্ৰন্থি বিদূৰ হোৱা সেই সত্যনিষ্ঠ যোগীসকলেহে জ্যোতিস্থিত পৰমপুৰুষক দেখা পায়। মোহান্ধ দুৰ্যোধনে সেই সনাতন দেবক কিদৰে দেখা পাব?

আৰ্য জয়দ্ৰথৰ মহাৰাজে এতিয়া কি কৰিছে?

কঞ্চুকী — ৰজাৰ অন্তেষপুৰত থকা ধাৰ্মিক বিদ্বান, বৃক্ষদ্ধপ ব্ৰাহ্মণক কঞ্চুকী বোলা হয়।

কঞ্চুকী — নিজেই গৈ আপুনি জানিব পাৰিব।

(এইবুলি কৈ ওলাই গ'ল)

(কলৰবৰ অন্তত নেপথ্যত)

হে, দ্রুপদ, বিৰাট, বৃষ্ণি, অন্ধক, সহদেব আদি আমাৰ সেনাৰ নায়কসকল আৰু কৌৰৱৰ সেনাপ্রধান বীৰসকল। আপোনালোকে শুনক, সত্য পালনৰ ব্রতভঙ্গৰ ভয়ত যুধিষ্ঠিৰৰ ক্রোধ্বহ্নি স্তিমিত কৰা হৈছিল। কৌৰৱ পাণ্ডৱৰ মঙ্গলৰ বাবে যি ক্রোধবহ্নি পাহৰিবলৈ চেষ্টা কৰা হৈছিল। সেই ক্রোধবহ্নি আকৌ জুৱাৰূপ অৰণিৰ দ্বাৰা উৎপন্ন। যুধিষ্ঠিৰৰ ক্রোধৰূপ ফিৰিঙতি দ্রৌপদীৰ কেশ আৰু বস্ত্র আকর্ষণৰ দ্বাৰা বৃদ্ধিপ্রাপ্ত হৈ কুৰুকুলৰূপী বন প্রজ্বলিত হৈছে।

ভীমসেন — (শুনি আনন্দিত হৈ) বাঢ়ক, আর্যৰ ক্রোধাগ্নি অপ্রতিহতভাবে বর্দ্ধিত হওক।

দ্রৌপদী — হে নাথ। প্রলয়কালীন মেঘৰ গর্জনৰ সমান গম্ভীৰ এই যুদ্ধৰ দুন্দুভি কিয় বজোৱা হৈছে?

ভীমসেন — হে দেবি! অন্য কি, যজ্ঞ আৰম্ভ হ'ব।

দ্রৌপদী — কি এই যজ্ঞ?

ভীমসেন — ৰনযজ্ঞ। যিদৰে

আমি চাৰিজন হোতা, ভগবান বাসুদেৱ উপদেষ্টা, ৰজা যুধিষ্ঠিৰ ব্রতী, ৰজাৰ পত্নী, ব্রতধাৰিনী। কুৰুৱংশ যজ্ঞৰ পশু, যজ্ঞৰ ফল— প্রিয়াৰ অপমানৰ শাস্তি। সেয়েহে। এই যশ দুন্দুভি ৰজাসকলক আমন্ত্রিত কৰিবলৈ বজোৱা হৈছে।

সহদেৱ — আর্য, গুৰুজনৰ আদেশ ক্রমে আমি আমাৰ শক্তি অনুসৰি প্রস্তুত হওঁ।

ভীমসেন — বৎস। আর্যৰ (যুধিষ্ঠিৰৰ) আজ্ঞা পালন কৰিবলৈ আমি প্রস্তুত। (উঠি) দেখি। আমি কৌৰবকুল ধ্বংসৰ বাবে যাও।

দ্রৌপদী — (অশ্রু সম্বৰণ কৰি) হে নাথ। অসুৰৰ সৈতে যুদ্ধ কৰিবলৈ যোৱা হৰিৰ দৰে আপোনালোকৰ মঙ্গল হওক।

উভয়ে - মঙ্গলবচন আমি গ্রহণ কৰিলো।

দ্রৌপদী — আৰু হে নাথ। যুদ্ধৰ পৰা উভতি আহি পুনৰ আমাক যেন সান্ত্বনা দিয়ে।

ভীমসেন — হে পাঞ্চাল ৰাজকুমাৰী। এতিয়া মিছা আশ্বাসৰ কি প্রয়োজন?

পৰাজয়ক্লান্ত বিষন্নমুখ আৰু কুৰুকুলধ্বংস কৰিব নোৱাৰা অৱস্থাত বৃকোদৰক দেখিবলৈ নাপাবা।

দ্রৌপদী — হে নাথ, যাজ্ঞসেনীৰ অপমানৰ কোপানলত উদ্দীপিত হৈ নিজৰ শৰীৰৰ প্রতি উপেক্ষা কৰি বিচৰণ নকৰিব। কাৰণ শুনা যায় শত্রুসৈন্যৰ মাজত সাৱধানে বিচৰণ কৰিব লাগে।

ভীমসেন — হে সুক্ষত্রিয়।

পৰস্পৰ সংঘৰ্ষৰ দ্বাৰা বিদীৰ্ণ হাতীসমূহৰ ৰক্ত, মাংস বক্ষ মস্তিষ্কৰ পঙ্কত ভগ্নৰথৰ ওপৰত ভৰি ৰাখি পৰাক্রম প্রদর্শন কৰা পদাতিকযুক্ত। পান গোষ্ঠীত ৰক্তপানপৰায়ণ শিয়ালৰ অমঙ্গল শব্দস্বৰূপ মাদলবাদ্যত কবন্ধবিলাকে যেতিয়া নাছে সেই যুদ্ধৰ প্রলয়সমুদ্রত বিচৰণি কৰিবলৈ পাণ্ডুপুত্রসকল সমর্থ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ পাঞ্চালী বুলিলে কাক বুজায়?

.....

প্রশ্ন নং ২ঃ ভানুমতী কোন?

.....

প্রশ্ন নং ৩ঃ অৰনি কি?

.....

১৫.৪.২ অশ্বত্থামা আৰু কর্ণৰ বিৰোধৰ দৃশ্য

এতিয়া আপুনি অশ্বত্থামা আৰু কর্ণৰ বিৰোধৰ দৃশ্যৰ অনুবাদ পঢ়িবলৈ পাব।

কর্ণ — (তৰোৱাল উঠাই) অৰে বাচাল, নীচ ব্রাহ্মণ, তুমি আৰু এই সংসাৰত নাথাকা। মহাৰাজ, এৰক এৰক। মোক বাধা নিদিব।

(দুর্যোধন আৰু কযপাচার্য্যই বাধা দিয়ে)

দুর্যোধন— কর্ণ, গুৰুপুত্র দুয়োজনেই আজি কিয় এনে মতিভ্রম? হৈছা।

কৃপ — এটা কর্ম কৰিবলৈ গৈ অন্য কর্মত উদ্যম, এয়া কি তোমাৰ মতিভ্রম? ৰাজবংশত তোমাৰ কাৰণে যদি বিদ্রোহ হয় তেন্তে সেয়াটো বিৰুদ্ধ পথ।

অশ্বত্থামা — মাতুল। এই ৰথকাৰ কুলকলঙ্ক কটুভাষীৰ গর্ব কৰিব পৰা নগ'ল।

কৃপ — নিজৰ সেনাপ্রধানৰ লগত বিৰোধৰ এয়া উপযুক্ত সময় নহয়।

অশ্বত্থামা — যদি এয়ে হয়, তেন্তে যেতিয়ালৈকে শত্রু শৰত এই পাপীৰ মৃত্যু নঘটে, তেতিয়ালৈকে প্রিয় হ'লেও মই অস্ত্র স্পর্শ নকৰো। কর্ণ সেনাপতি হ'লে যুদ্ধত ভীমার্জুন উপস্থিত হ'লে, তেতিয়া ৰজাই প্রিয়বন্ধুৰ কিমান শক্তি বুজি পাব ।। ১।।

(অস্ত্রত্যাগ কৰিলে)

কর্ণ — (হাঁহি) অস্ত্রত্যাগ আপোনালোকৰ কুলৰ নিয়ম।

অশ্বত্থামা — আপোনালোকৰ নিচিনাৰ বাবে অস্ত্রত্যাগ নকৰিলেও নিস্ফল হোৱা বাবে অস্ত্রত্যাগৰ নিচিনাই।

কর্ণ — অৰে, মূর্খ

যেতিয়ালৈকে মোৰ হাতত অস্ত্র থাকিব, তেতিয়ালৈকে কোনো অস্ত্রৰ প্রয়োজন নহয়। মোৰ অস্ত্রৰ দ্বাৰা যিটো সিদ্ধ নহয়, সেইটো কাৰদ্বাৰা সিদ্ধ হ'ব?

নেপথ্যত

আঃ দুৰাত্মা, দ্ৰৌপদীৰ কেশ আৰু বস্ত্ৰ আকৰ্ষণকাৰী মহাপাতকী, ধৃতৰাষ্ট্ৰ পুত্ৰ পাষণ্ড, বহুত দিনৰ পিছত মোৰ সমুখীন হৈছা, হে ক্ষুদ্ৰ পশু, এতিয়া ক'ত যাবি? তাৰোপৰি হে গৰ্বিত ধনুধৰ ৰাধেয়। দুৰ্যোধন, সৌবল প্ৰভৃতি পাণ্ডবশত্ৰুসকল, শুনা।

যি নৰপশুৱে পাঞ্চালৰাজনন্দিনীৰ চুলিত ধৰিছিল, ৰাজমণ্ডলী আৰু গুৰুজনৰ সমুখত বস্ত্ৰহৰণ কৰিছিল, মই যিজনৰ বক্ষৰক্ত পান কৰিবলৈ প্ৰতিজ্ঞা কৰিছিলো সেই দুঃশাসন মোৰ ভূজ পিঞ্জৰত আৱদ্ধ, হে কৌৰবসকল যদি শক্তি আছে উদ্ধাৰ কৰা।

(সকলোৱেই শুনে)

অশ্বত্থামা — হে অঙ্গৰাজ, সেনাপতি, দ্ৰোণৰ উপহাসকাৰী পৰশুৰামশিষ্য, বাহুবলেৰে সকলোৰে ত্ৰাণকৰ্তা (দৃতায়ুধ ইত্যাদি শ্লোকটো পঢ়ি) এতিয়া সেই সময় উপস্থিত হৈছে। ভীমৰ পৰা দুঃশাসনক ৰক্ষা কৰা।

(সকলোৱে শুনে)

কৰ্ণ — আঃ কি শক্তি আছে ভীমৰ। মই জীয়াই থাকোতে দুঃশাসনৰ ছাঁৰ ফালেও চাব। যুৱৰাজ, ভয় নকৰিব ভয় নকৰিব। মই আহিছো। (প্ৰস্থান)

অশ্বত্থামা — মহাৰাজ, কৌৰবনাথ, দ্ৰোণ ভীষ্মহীন কৌৰৱ সেনাগণক ভীম আৰু অৰ্জুনে বিচলিত কৰিছে। ৰাধেয় বা অন্য কোনেও ৰোধ কৰিব নোৱাৰিব। সেয়েহে ভ্ৰাতৃৰ ৰক্ষাৰ বাবে মহাৰাজেই যোৱা উচিত।

দুৰ্যোধন — আঃ কি শক্তি আছে দুৰাত্মা পবনপুত্ৰ বা অন্যৰ? সশস্ত্ৰ মই জীৱিত থাকোতে বৎস দুঃশাসনৰ ছাও স্পৰ্শ কৰিব পাৰে? বৎস, ভয় নাই, ভয় নাই, এয়া কোন আছা? ৰথ লৈ আহা। (প্ৰস্থান)

(নেপথ্যত কলৰব)

অশ্বাথামা — (সমুখৰ ফালে চাই) মাতুল? হায় ধিক্, কি দুখৰ বিষয়, প্ৰতিজ্ঞা ভংগহোৱাৰ ভয়ত অৰ্জুনে অমোঘ জনবাণসমূহ কৰি দুৰ্যোধন আৰু কৰ্ণক আচ্ছন্ন কৰি ৰাখিছে। নিশ্চয়কৈ ভীমে দুঃশাসনৰ ৰক্তপান কৰিব। দুৰ্যোধনৰ কনিষ্ঠ ভ্ৰাতাৰ এই দুখ সহ্য কৰা নাযায়। মাতুল, অস্ত্ৰ অস্ত্ৰ, সত্যতকৈ মিথ্যাই ভাল। স্বৰ্গও ঠিক, মোৰ নৰকেই হওঁক। ভীমৰ হাতৰ পৰা দুঃশাসনক ৰক্ষা কৰিবলৈ ত্যাগ কৰা অস্ত্ৰ পুনৰ গ্ৰহণ কৰিম।

(এইদৰে কৈ তৰোৱাল গ্ৰহণ কৰিবলৈ ইচ্ছা কৰে)

নেপথ্যত

মহাত্মা, ভৰদ্বাজপুত্ৰ, আগতে উলংঘন নোহোৱা সত্যবচন আপুনি উলংঘন কৰা উচিত নহয়।

কৃপ — বৎস, অশৰীৰি বাণীয়ে মিথ্যাৰ পৰা ৰক্ষা কৰিছে।

অশ্বত্থামা — এই দৈববাণীয়ে মোক যুদ্ধ কৰিবলৈ নিষেধ কৰিছে। আঃ কষ্ট দেবতাসকলো পাণ্ডৱৰ পক্ষপাতী। দুঃশাসনৰ ৰক্তপান নিশ্চয় ভীমে কৰিলে। অত্যন্ত দুখৰ বিষয়।

দুঃশাসনৰ ৰক্তপানতো মই উদাসীন হৈ থাকিলো। এই যুদ্ধত দুর্যোধনৰ প্রিয় কি কাম কৰিব পাৰিম। মাতুল, কর্ণৰ প্রতি ক্রোধত মই অনুচিত কাম কৰিলো। আপুনিয়েই ৰজাৰ ওচৰত থাকক।

কৃপ — প্রতিকাৰ কৰিবলৈ মই যাওঁ। তুমিও শিবিৰলৈ যোৱা।

(উভয়ৰ প্রস্থান)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ কৃপাচার্য কোন?

.....

.....

প্রশ্ন নং ৫ঃ কর্ণক অন্য কি নামেৰেও জনা যায়?

.....

.....

প্রশ্ন নং ৬ঃ অশ্বত্থামা কুৰুপাণ্ডৱৰ কোন গুৰুৰ পুত্র?

.....

.....

১৫.৪.৩ অশ্বত্থামাৰ সেনাপতি নিয়োগৰ দৃশ্য

এতিয়া আপুনি অশ্বত্থামাক সেনাপতি নিয়োগৰ দৃশ্যৰ অসমীয়া অনুবাদ পঢ়িবলৈ পাব।

অশ্বত্থামা — কৌৰৱাধিপতিৰ জয় হওঁক।

দুর্যোধন (উঠি) — আহক গুৰুপুত্র, ইয়তে বহক। (বহুৱালে)

অশ্বত্থামা — হে মহাৰাজ দুর্যোধন। কর্ণশ্রুতিসুখকৰ যি কথা কৈছিল, যুদ্ধক্ষেত্রত যি কৰা হৈছিল, সেয়া আপুনি জানে। এতিয়া মই দ্রোণ পুত্র অশ্বত্থামাই ধনু ধাৰণ কৰি আহিছো। গতিকে মহাৰাজ, যাৰ প্রতিকাৰ হোৱা নাই, তাৰ দুখ ত্যাগ কৰক।

দুর্যোধন — (ইর্ষাৰে) আচার্যপুত্র।

কর্ণৰ সমাপ্তিৰ পিছত আপুনি যুদ্ধ কৰিব। তেন্তে মোৰ মৃত্যুপর্যন্তও অপেক্ষা কৰক। কাৰণ কর্ণ আৰু দুর্যোধনৰ মাজত কোনো ভেদ নাই।

অশ্বত্থামা — (স্বগত) এতিয়াও কর্ণৰ প্রতি পক্ষপাত আৰু মোৰ প্রতি অপমান। (প্রকাশ কৰি) মহাৰাজ কৌৰৱাধিপতি, সেয়াই হওঁক। (প্রস্থান)

ধৃতৰাষ্ট্র — বৎস, তোমাৰ এয়া কেনে বুদ্ধিভ্রমঙ্গ এই দুঃসময়তো মহাশয় অশ্বত্থামাক কটু কথাৰে ক্রোধিত কৰিলা।

দুর্যোধন — মই এওঁক অপ্রিয় মিছা কথা কি ক'লো? এয়া কি ক্রোধৰ স্থান নহয়?

ধনুর্ধৰ ক্ষত্রিয়য়ো যাৰ ক্ষমতাৰ সীমা জানিব নোৱাৰে আপোনালোকৰ ভাগ্যদোষত তেওঁ যুদ্ধত নিহত হ'ল। মোৰ সমুখত সেই অংগৰাজৰ যিয়ে নিন্দা কৰে— অর্জুন আৰু তেওঁৰ মাজত কি প্রভেদ কওঁক?

ধৃতৰাষ্ট্র — বৎস, ইয়াত তোমাৰ কি দোষ? ভৰতবংশৰ শেষ সময় উপস্থিত। সঞ্জয়, হতভাগ্য মই এতিয়া কি কৰো। (চিন্তা কৰি) সম্প্রতি এনে হওঁক। মোৰ পক্ষৰপৰা ভৰদ্বাজ কুলোৎপন্ন অশ্বত্থামাক কওঁক।

শৈশৱকালত আপুনি দুর্যোধনৰ সৈতে ভাগ কৰি একেলগে স্তন পান কৰিছিল। বাল্যকালত আপোনাৰ শৰীৰ পৰিৱর্তনৰ দ্বাৰা মোৰ পট্টবস্ত্র খলিন হৈছিল— এইসকলো কথা মনত ৰাখি অনুজশোক আৰু কর্ণৰ প্রতি প্রেমবশতঃ দুর্যোধনে বিসদৃশ যি কথা কৈছে তাৰবাবে ক্রোধিত হোৱাটো ব্যর্থ।।

সঞ্জয় — তাত, যি আদেশ (উঠিলে)

ধৃতৰাষ্ট্র — আৰু কবা।

মিছা কথা কৈ আপোনাৰ পিতৃক যি অস্ত্রত্যাগ কৰোৱা হৈছিল আৰু তেখেতৰ ঘৃননীয় অপমান কৰা হৈছিল— এই কথা বিচাৰ কৰি দুর্যোধনৰ কথা পাহৰি আপোনাৰ শক্তিসামর্থ্য প্রদর্শন কৰক।।

সঞ্জয় — **তাত**, যি আদেশ। (প্রস্থান)

দুর্যোধন — সুত। মোৰ যুদ্ধ ৰথ লৈ আহা।

সুত — যি আজ্ঞা আয়ুস্মন্।

ধৃতৰাষ্ট্র — গান্ধাৰী। আমি এতিয়া মদ্রৰাজ শল্যৰ শিবিৰলৈ যাম। বৎস তুমিও এনে কৰা।

(পৰিক্রমা কৰি প্রস্থান)



তাত — পিতৃ, পিতৃতুল্য বাবে ধৃতৰাষ্ট্রক এইদৰে সম্বোধন কৰিছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ সঞ্জয় কোন?

.....

.....

প্রশ্ন নং ৮ঃ 'তাত' শব্দটোৰ অর্থ কি?

.....

.....

প্রশ্ন নং ৯ঃ অশ্বত্থামাৰ কোন কুলত জন্ম?

.....

.....

১৫.৪.৪ বেণীবন্ধনৰ দৃশ্য

এতিয়া আপুনি দ্ৰৌপদীৰ বেণীবন্ধনৰ দৃশ্যৰ অসমীয়া অনুবাদ পঢ়িবলৈ পাব।

ভীমসেন — এই অৱস্থাত মোক দেখি ভয় খোৱা প্ৰয়োজন নাই।

যি নৰপশু দুঃশাসনে ৰাজসভাৰ মাজলৈ তোমাক লৈ আহিছিল। তেওঁৰ সেই গাঢ় ৰক্ত পান কৰাৰ পাছত মোৰ হাতত অৱশিষ্ট থকা সেই ৰক্ত স্পৰ্শ কৰা। হে প্ৰিয়ে, মোৰ গদাৰে চূৰ্ণ কৰা জঙঘাযুক্ত কুৰুসকলৰ ৰজাৰো ৰক্তই মোৰ দেহত লিপ্ত হৈ থকা ৰক্তই তোমাৰ অপমানজনিত সন্তাপ দূৰ কৰিব।।

বুদ্ধিমতিকে, যি পাণ্ডৱ কুলবধুক উপহাস কৰিছিল সেই ভানুমতী ক'ত। যজ্ঞৰ বেদীৰ পৰা উৎপন্ন যাজ্ঞসেনী।

দ্ৰৌপদী — আদেশ কৰক প্ৰভু।

ভীমসেন — মই যি কৈছিলো সেয়া মনত পৰেনে?

(দেৱ ভূজদ্বয় ... ইত্যাদি উচ্চাৰণ কৰে)

দ্ৰৌপদী — হে নাম। কেবল মনতেই নহয়। আপোনাৰ কৃপাত অনুভৱো কৰো।

ভীমসেন — (বেণী লৰাই) দেবী। ধৃতৰাষ্ট্ৰৰ কুলৰ কালৰাত্ৰি স্বৰূপ দুঃশাসনে মুক্ত কৰা এই বেণী এতিয়া বান্ধা।

দ্ৰৌপদী — হে নাথ। এই কাৰ্য পাহৰিয়েই গৈছো। আপোনাৰ কৃপাত পুনৰ শিকিম।

(ভীমসেনে বেণী বান্ধে)

(নেপথ্যত)

মহাসমৰাগ্নিদগ্ধ অৱশিষ্ট ৰাজন্যকুলৰ কল্যাণ হওঁক।

কৌৰবেশ্বৰৰ আদেশত বেণীমুক্ত হোৱাত পাণ্ডবসকল ক্ৰোধান্ধ হৈ অতুলনীয় বাহুবলেৰে ৰজাসকলক নিহত কৰি দিশে দিশে ৰাজ অন্তঃপুৰচাৰিনীসকলৰ বেণীমুক্ত কৰিছিল। কুৰুবংশৰ ধূমকেতু ক্ৰুদ্ধ ভীমে পাঞ্চালনন্দিনীৰ সেই বেণী আজি বন্ধন কৰিলে। সেয়েহে প্ৰজাৰ বিনাশ বন্ধ হওঁক। ৰাজকুলৰ মঙ্গল হওঁক।

যুধিষ্ঠিৰ — দেৱী ! আকাশগামী এই সিদ্ধপুৰুষসকলে তোমাৰ বেণীবন্ধনক অভিনন্দন জনাইছে।

(কৃষ্ণাৰ্জুনৰ প্ৰবেশ)

কৃষ্ণ — (যুধিষ্ঠিৰৰ ওচৰলৈ গৈ) সমস্ত শত্ৰুকুল ধ্বংস হোৱা ভ্ৰাতৃসকলৰে সৈতে যুধিষ্ঠিৰৰ জয় হওঁক।

অৰ্জুন — আৰ্য্যৰ জয় হওঁক।

যুধিষ্ঠিৰ — (চাই) আৰে ভগবান বাসুদেৱ আৰু বৎস অৰ্জুন! ভগৱান্ প্ৰণাম যাচিছো (অৰ্জুনৰ প্ৰতি) আহা আহা বৎস। মোক আলিঙ্গন কৰা।

(অৰ্জুনে প্ৰণাম কৰে)

যুধিষ্ঠিৰ — (বাসুদেৱৰ প্ৰতি) ভগবানে স্বয়ং যাৰ মঙ্গল কামনা কৰে তেওঁৰ কল্যাণৰ বাদে অন্য কি হ'ব?

মহান মহত্ আদি তত্ব উৎপন্ন কৰা। অৰ্থাত প্ৰকৃতিৰ বিকৃতিৰ দ্বাৰা উৎপন্ন পাঞ্চভৌতিক শৰীৰ যুক্ত। মগুন। প্ৰাণীৰ উৎপত্তি, স্থিতি আৰু বিনাশৰ কাৰণ, জন্মৰহিত, অচিন্ত্য যাৰ স্মৰণত দুঃখ অতিক্ৰম কৰা হয়। দৰ্শনত দুখ ক'ৰ পৰা হ'ব?

(অৰ্জুনক আলিঙ্গন কৰি) বৎস মোক আলিঙ্গন কৰা।

কৃষ্ণ — মহাৰাজ যুধিষ্ঠিৰ)

এয়া ভগবান ব্যাস, বাল্মীকি আৰু পৰশুৰাম আদি মুনিসকলে আজ্ঞাপালনকাৰী মগধ আৰু মৎস্যদেশৰ শাসক তথা যদুবংশীয়সকলৰ সৈতে ধৃষ্টদ্যুম্ন প্ৰভৃতি সেনাপতিসকলে মগধ, মৎস্য আৰু যদুবংশীয় ৰজাসকলৰ সৈতে কান্ধত তীৰ্থ জলপূৰ্ণ কলহ লৈ মাদ্ৰীপুত্ৰৰ দ্বাৰা পৰিচালিত হৈ তোমাৰ ৰাজ্যাভিষেকৰ বাবে উপস্থিত হৈছে।

ৰাক্ষস চাৰ্বাকে আপোনাক প্ৰতাৰাণা কৰা বুলি জানি অৰ্জুনক লৈ মই ইয়ালৈ শীঘ্ৰেই আহিছো।

যুধিষ্ঠিৰ— চাৰ্বাক ৰাক্ষসে আমাক এনেদৰে ঠগিছে।

ভীমসেন — (ক্ৰোধপূৰ্বক) ধৃতৰাষ্ট্ৰৰ পুত্ৰৰ মিত্ৰ অধম ৰাক্ষস ক'লৈ গ'ল যিজনে আৰ্যৰ মনত বিভ্ৰমৰ সৃষ্টি কৰিছিল।

কৃষ্ণ — সেই দুৰাত্মাক নকুলে ধৰিছে। কওক মহাৰাজ ইয়াৰ পিছত আপোনাৰ কোনটো অভিলাষ পূৰ্ণ কৰিম?

যুধিষ্ঠিৰ — আপুনি প্ৰসন্ন হৈ কি দিয়া নাই? সাধাৰণ বুদ্ধিৰ মই ইয়াতেই সন্তুষ্ট আৰু মোৰ প্ৰাৰ্থনা কৰিবলৈ একো নাই। চাওক।

ক্ৰোধবশতঃ সম্পূৰ্ণ শত্ৰু ধ্বংস কৰিছো আৰু আমি পঞ্চপাণ্ডৱ জীৱিত আছো। আমাৰ দুৰ্নীতিৰ বাবে দ্ৰৌপদী যি অপমান সমুদ্ৰত পৰিছিল। তাৰ পৰাও উদ্ধাৰ হ'ল। মই পুণ্যশালী যে পুৰুষোত্তম আপুনি মোক সাদৰ সম্ভাষণ জনাইছে। প্ৰসন্ন ভগৱানৰ পৰা ইয়াতকৈ বেছি কি বিচাৰিম?

তথাপিও যদি ভগবান সুপ্ৰসন্ন তেতিয়াহ'লে—

মানুহবোৰ ব্যাধিৰ পীড়াৰ পৰা মুক্ত হৈ পূৰ্ণ আয়ুস ভোগ কৰক। হে পুৰুষোত্তম, আপোনাৰ প্ৰতি দ্বিধাহীন ভক্তি হওঁক, ৰজা পৃথিৱীপ্ৰেমী হওঁক। বিদ্বানসকলৰ মিত্ৰ, গুনজ্ঞ, সদাপুণ্যশালী আৰু ৰাজ মণ্ডল তেওঁৰ অনুকূল হওক।

কৃষ্ণ — সেয়ে হওঁক।

(সকলোৰে প্ৰস্থান)



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ঃ ভীমে কাৰ ৰক্তপান কৰিছিল?

.....

.....

প্ৰশ্ন নং ১১ঃ চাৰ্বাক কোন?

.....

.....

প্ৰশ্ন নং ১২ঃ যাজ্ঞসেনী কাৰ নাম?

.....

.....

১৫.৫ মহত্বপূৰ্ণ শ্লোকৰ ব্যাখ্যা

এতিয়া আপুনি অধ্যায়টিত কিছুমান মহত্বপূৰ্ণ শ্লোকৰ ব্যাখ্যা পঢ়িবলৈ পাব।

১) স্ত্রীনাং হি সাহচর্য্যাদ্ভৱন্তি চেতাংসি ভর্তৃসদৃশানি।
মধুৰাপি হি মূর্চ্ছায়তে বিষবিটপীসমাশ্রিতা বল্লী।।

উক্ত শ্লোকটি ভট্টনাৰায়ণ বিৰচিত বেণীসংহাৰ নাটকৰ প্ৰথম অংকৰ পৰা উদ্ধৃত কৰা হৈছে। এই শ্লোকটি সহদেৱৰ উক্তি।

দুৰ্যোধনৰ পত্নীক ভানুমতীৰ দ্বাৰা পাণ্ডৱমহিষী দ্ৰৌপদী অপমানিত হোৱা শুনি ভীমসেন আচৰিত হৈছিল। এনে কৰাতো ভানুমতীৰ পক্ষে স্বাভাৱিক বুলি ক'বলৈ গৈ সহদেৱে ভীমসেনক এইদৰে কৈছে।

দীৰ্ঘসম্পৰ্কবশতঃ নাৰীৰ হৃদয় স্বামীৰ দৰেই হয়। সুহৃদয়ৰ নাৰীও পতিৰ সাহচৰ্যত দুষ্টা আৰু দুষ্টা নাৰীও সৎ হ'ব পাৰে। ভানুমতীৰ দৃষ্টান্তই ইয়াত সহদেৱে প্ৰদৰ্শন কৰিছে।

বিষবৃক্ষক আশ্ৰয় কৰি যদি মধুৰ লতাও থাকে সেই লতায়ো মানুহৰ মূৰ্চ্ছাৰ কা�ৰণ হ'ব পাৰে। তেনেদৰে শিষ্ট ব্যক্তিয়ো অশিষ্ট ব্যক্তিৰ সম্পৰ্কত অশিষ্ট হয়। সেয়েহে ভানুমতী যদিও শিষ্টকূলসম্ভবা, স্বামী দুৰ্যোধনৰ সংস্পৰ্শত থকাৰ বাবে তেওঁৰ চাৰিত্রিক পৰিৱৰ্তন ঘটিছে। সেয়েহে ভানুমতীৰ দ্ৰৌপদীৰ প্ৰতি ব্যৱহাৰত আচৰিত হ'বলগীয়া নাই।

) ভূয়ঃ পৰিভবক্লান্তিলজ্জাবিধুৰিতাননম্।
অনিঃ শেষিতকৌৰব্যং ন পশ্যসি বৃকোদৰম্।।

উক্ত শ্লোকটি বেণীসংহাৰ নাটকৰ প্ৰথম অংকত ভীমসেনৰ উক্তি।

প্ৰথমাঙ্কৰ শেষত দ্ৰৌপদী আৰু ভীমসেনৰ আলাপৰ অন্তত কঞ্চুকীয়ে যুদ্ধলৈ যাবলৈ ভীমক সাজু হ'বলৈ কোৱাত দ্ৰৌপদীয়ে যুদ্ধৰ অন্তত ভীমক সান্ত্বনা দিবলৈ অনুৰোধ কৰিলে। তেতিয়াই ভীমসেনে, 'মিছা আশ্বাসৰ কি প্ৰয়োজন বুলি কৈ উক্ত শ্লোকফাঁকি ব্যক্ত কৰিছিল।

ভীমে দ্রৌপদীক আশ্বাসনৰ বাবে নাহো বুলি কৈছিল। কৌৰৱকুলক নিধন নকৰাকৈ প্রত্যাগমন নকৰো আৰু যেতিয়ালৈকে কৌৰৱকুল শেষ নহয় তেতিয়ালৈকে ভীমৰ মুখ লজ্জানত হৈ থাকিব। অর্থাৎ পূর্বকৃত প্রতিজ্ঞা পূৰণৰ বাবে কৌৰৱসকলক নাশ কৰিব পাৰিলেহে ভীমে দ্রৌপদীৰ দর্শন কৰিব অন্যথা দ্রৌপদীৰ ভীমৰ লগত সাক্ষাৎ হোৱা সম্ভৱ নহয় বুলি ভীমে শ্লোকফাঁকিৰ দ্বাৰা প্রকাশ কৰিছে।

৩) ধৃতায়ুধো যাবদহং তাবদন্যৈঃ কিমায়ুধৈঃ।

যদ্বা ন সিদ্ধমস্ত্রেন মম তত্কেন মেত্স্যতি?

উক্ত শ্লোকফাঁকি 'বেণীসংহাৰ' নাটকৰ তৃতীয় অংকৰ অশ্বত্থামা আৰু কর্ণৰ বিৰোধৰ দৃশ্যৰ পৰা অৱতাৰণা কৰা হৈছে।

কর্ণৰ অস্ত্রধাৰণৰ অসাৰতা প্রতিপন্ন কৰিবলৈ অশ্বত্থামাই কৰা প্রচেষ্টাৰ বিপৰীতে কর্ণই এই শ্লোকটি উল্লেখ কৰিছিল।

কর্ণ বীৰ হ'লেও, শক্তিশালী অস্ত্রধাৰণ কৰিলেও অশ্বত্থামাৰ মতে কর্ণৰ অস্ত্রধাৰণ নিস্ফল। কাৰণ ইতিমধ্যে কর্ণ গুৰুৰ দ্বাৰা অভিশপ্ত। সেয়েহে অস্ত্রধাৰণ কৰাও অস্ত্রপৰিত্যাগ কৰাৰ নিচিনাই। কিন্তু কর্ণই অশ্বত্থামাৰ এই কথাত নিজৰ স্বভাৱজাত অহং ভাবৰ বাবে গ্রহণ নকৰিলে। বৰং নিজৰ ওপৰত বিশ্বাস ৰাখি কৈছিল যে যেতিয়ালৈকে কর্ণই অস্ত্রধাৰণ কৰিব তেতিয়ালৈকে অন্য অস্ত্রৰ কোনো প্রয়োজন নাই। কর্ণৰ অস্ত্রৰ দ্বাৰা যি সিদ্ধ হোৱা নাই তেন্তে আন কোনো অস্ত্রই সেইটো সিদ্ধ কৰিব নোৱাৰে। শ্লোকফাঁকিৰ দ্বাৰা কর্ণৰ মনৰ অহংবোধ প্রকাশ পাইছে।

৪) অৱমানেহুঙ্গৰাজস্য য়োদ্ধব্যং ভবতা কিল

মমাপ্যন্তং প্রতীক্ষস্ব কঃ কর্ণ কঃ যুয়োধনঃ।

বেণীসংহাৰ নাটকৰ পঞ্চম অংকৰ অশ্বত্থামাক সেনাপতিবৰণৰ দৃশ্যৰ পৰা উদ্ধৃত কৰা হৈছে।

অঙ্গৰাজ কর্ণৰ পিছত অশ্বত্থামাই সেনাপতি পদৰ যোগ্য প্রার্থী। কিন্তু অংগৰাজৰ মৃত্যুৰ পিছত দুর্যোধনৰ মনৰ ভাব শ্লোকফাঁকিত প্রকট হৈছে।

কর্ণৰ মৃত্যুৰ পিছত অশ্বত্থামাক যদিও সেনাপতি নিয়োগ কৰিবলগীয়া হৈছিল, দুর্যোধন কিন্তু বৰ আশাবাদী নাছিল। কর্ণৰ মৃত্যুৰ পিছত দুর্যোধন মিত্রতা হেৰুওৱাৰ দুখতো দুখী হৈছিল। সেয়েহে তেওঁ অশ্বত্থামাক কৈছিল, তেওঁৰো অন্তৰ প্রতীক্ষা কৰিবলৈ। মিত্র হিচাবে কর্ণ আৰু দুর্যোধনৰ কোনো পার্থক্য নাই। দুযোর্ধনৰ এনে ৰূঢ় বাক্যত অশ্বত্থামাও ক্ষুণ্ণ হৈছিল। আনকি সেই সময়ত উপস্থিত থকা ধৃতাৰাষ্ট্রয়ো দুর্যোধনৰ এনে কঠোৰ বাক্যপ্রয়োগক বুদ্ধিবিভ্রম আখ্যা দিছিল।

১৫.৬ শব্দার্থৰ তালিকা

শলভঃ = এবিধ কীট।

বল্লী = লতা

কচ = কেশ

উত্তংসয়িষ্যতি = অলংকৃত কৰি

দুন্দুভি = ভেৰী নামৰ বাদ্যবিশেষ

সত্বনিষ্ঠ = সাত্বিক গুণসম্পন্ন

শশধৰ = চন্দ্ৰ

ৰুধিৰ = ৰক্ত

সংগৰ = যুদ্ধ

ব্যামোহ = মানসিক জড়তা

বাকপাৰুষ্য = কথাৰ কৰ্কশতা

স্বস্তি = কল্যাণ

অৰাতি = শত্ৰু

অজ = যাৰ জন্ম নাই

পুৰুষায়ুষ = এশ বছৰ

সুকৃতিনং = পুণ্যশালীৰ

নিকাৰার্ণৱঃ = অপমানৰ সাগৰ

বিষবিটপি = বিষবৃক্ষ

বাচাট = বহুভাষী

সৌবল = শকুনি, সুবলৰ পুত্ৰ

বামং = মূৰ্খামি

মৃদিত = মলিন

ক্ষৌমং = পাটৰ কাপোৰ

বিতথ = মিথ্যা

পুৰাণ = প্ৰাচীন



১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বেণীসংহাৰ নাটকখনৰ মূল ঘটনাসমূহ জানিব পাৰিলো।
- নাটকখনৰ কিছুমান মুখ্য দৃশ্যৰ সংস্কৃত পাঠ আৰু লগতে অনুবাদৰ জৰিয়তে ঘটনাপ্ৰবাহ শিকিলোঁ।
- নাটকখনত দ্ৰৌপদীৰ বেণীবন্ধনৰ তাৎপৰ্যও জানিব পাৰিলো।
- কিছুমান শ্লোকৰ ব্যাখ্যাও পঢ়িবলৈ পালো।
- অধ্যায়টিত ব্যৱহৃত কিছুমান সংস্কৃত শব্দৰ অৰ্থৰ বিষয়েও জানিব পাৰিলো।



১৫.৮ অধিক জানিবলৈ

১) শাস্ত্রী, চি শংকৰ ৰাম, (১৯৪৩), *বেণীসংহাৰ*, মাদ্রাচ।

২) কালে, এম্ আৰ, (১৯৭৭), *বেণীসংহাৰ*, দিল্লী।

৩) ত্রিপাঠী, ড° ৰমাশংকৰ, (২০১০), *বেণীসংহাৰ*, দিল্লী।



১৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ পাঞ্চালী বুলিলে দ্রৌপদীক বুজায়।

২ নং প্রশ্নৰ উত্তৰঃ ভানুমতী দুর্যোধনৰ পত্নী।

৩ নং প্রশ্নৰ উত্তৰঃ অৰনি যজ্ঞীয়কাষ্ঠবিশেষ।

৪ নং প্রশ্নৰ উত্তৰঃ কৃপাচার্য কৌৰব পাণ্ডৱৰ গুৰু।

৫ নং প্রশ্নৰ উত্তৰঃ কর্ণক 'ৰাধেয়' নামেৰেও জনা যায়।

৬ নং প্রশ্নৰ উত্তৰঃ অশ্বত্থামা গুৰু দ্রোণাচার্যৰ পুত্র।

৭ নং প্রশ্নৰ উত্তৰঃ সঞ্জয় ধৃতৰাষ্ট্রৰ সাৰথি।

৮ নং প্রশ্নৰ উত্তৰঃ 'তাত' শব্দটোৰ অর্থ পিতৃ।

৯ নং প্রশ্নৰ উত্তৰঃ অশ্বত্থামা ভৰদ্বাজকুলত জন্ম।

১০ নং প্রশ্নৰ উত্তৰঃ ভীমে দুঃশাসনৰ ৰক্তপান কৰিছিল।

১১ নং প্রশ্নৰ উত্তৰঃ চার্বাক এটা ৰাক্ষস।

১২ নং প্রশ্নৰ উত্তৰঃ যাজ্ঞসেনী দ্রৌপদীৰ নাম।



১৫.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ তলৰ শ্লোকটি ব্যাখ্যা কৰক—

যুষ্মান্ হ্রেপতি ক্রোধাল্লোকে শত্রুকুলক্ষয়ঃ
ন লজ্জয়তি দাৰানাং সভায়াং কেশকর্ষনম্।।

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ভীমসেনৰ প্ৰতিজ্ঞাৰ নাটকীয় তাৎপৰ্য লিখক।


প্ৰশ্ন ২ঃ নাটকখনত কৰ্ণৰ চৰিত্ৰটি অংকন কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ নাটকখনত ভীমৰ চৰিত্ৰটি কিদৰে প্ৰতিফলিত হৈছে। আলোচনা কৰক।

প্ৰশ্ন ২ঃ বেণীবন্ধনৰ দৃশ্যটি চমুকৈ লিখক।

*** ***** ***



প্ৰসঙ্গ পুথি

১) আয়াৰ, এ. এছ. পি. (১৯৫৭), *ভাস*, মাদ্ৰাজ ঃ ভি. ৰামস্বামী সন্তুলু এণ্ড ছন্স।

২) কালে, এম. আৰ. (১৯৮৮), *স্বপ্নবাসবদত্তম্ অৰ ভাস*, দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিচাৰছ প্ৰাইভেট লিমিটেড।

৩) ঠাকুৰ, ৰবীন্দ্ৰ নাথ (১৯৭০), *প্ৰাচীন সাহিত্য*, কলকাতা ঃ বিশ্বভাৰতী।

৪) ঠাকুৰ, ৰমা শঙ্কৰ (১৯৭২), *মহাকবি কালিদাস* (হিন্দী), চৌখাম্বা, বাৰানসী।

৫) পুচলকাৰ, এ. ডি. (১৯৬৮), *ভাস-এ ষ্টাডী*, দিল্লী ঃ মুন্সিৰাম মনোহৰলাল অৰিয়েণ্টল পাব্লিচাৰছ এণ্ড বুকচেলাৰছ।

৬) বসু, দেবেন্দ্ৰ নাথ, *শকুন্তলায় নাট্যকথা* (বঙ্গাব্দ ১৩৭৯), কলকাতা ঃ সাৰস্বত লাইব্ৰেৰী।

৭) মিৰাষি, ভি. ভি. আৰু নভাকৰ (১৯৫৯), *কালিদাস*, মুম্বাই।

৮) শৰ্মা, থানেশ্বৰ, *অভিজ্ঞানশকুন্তলম্ — এক সমীক্ষা* (২০০৮), গুৱাহাটী।

৯) শৰ্মা, থানেশ্বৰ (১৯৯৫), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১০) হাজৰিকা, অতুল চন্দ্ৰ (১৯৫৯), *অভিজ্ঞানশকুন্তলম্*, গুৱাহাটী।